**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-05-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***:::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমানাথ অমৃত পৰ্ব উপলক্ষে সোমনাথ মন্দিৰত বিশেষ মহাপূজা আগবঢ়ায়।

২। সমগ্ৰ দেশত আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস পালন কৰা হৈছে।

৩। ভাৰতীয় ষ্টেট বেংকে প্ৰকাশ কৰা গৱেষণা প্ৰতিবেদন অনুসৰি দেশৰ অৰ্থনীতিৰ বিকাশ ৬.৬ শতাংশলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে।

৪। জ্যেষ্ঠ বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সোমানাথ অমৃত পৰ্ব উপলক্ষে বিশেষ মহাপূজা আগবঢ়ায়। তেওঁ কুম্ভাভিষেক কাৰ্যসূচীতো অংশ লয়। মন্দিৰৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ১১খন তীৰ্থ স্থানৰ পবিত্ৰ পানীৰে জলাভিষেক অনুষ্ঠিত হয়। শ্ৰীমোদীয়ে পতাকা উত্তোলন কাৰ্যসূচীতো অংশগ্ৰহণ কৰে।

ভাৰতীয় বায়ুসেনা বাহিনীৰ সূৰ্য্য কিৰণ এৰ'বেটিক্স দলে সোমনাথ মন্দিৰৰ ওপৰেৰে আকৰ্ষণীয় বিমান কৌশল প্ৰদৰ্শন কৰে। হেলিকপ্তাৰৰ পৰা মন্দিৰৰ ওপৰত পুষ্পবৰ্ষণ কৰা হয়। ইয়াৰ পাছতে শ্ৰীমোদীয়ে বিশেষ প্ৰদৰ্শনী দৰ্শন কৰে।

ইয়াৰপূৰ্বে শ্ৰীমোদীয়ে গুজৰাটৰ প্ৰভাস পাটনত উপস্থিত হয় আৰু হেলিপেডত অৱতৰণ কৰাৰ পাছতে হামিৰজী গ'হিল চক্ৰলৈ এক কিলোমিটাৰ জোৰা এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে এই বিশেষ সোমনাথ অমৃত পৰ্ব আয়োজন কৰা হয়।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে এই উৎসৱত ভাৰতৰ আভ্যন্তৰীণ শক্তি আৰু সোমনাথ মন্দিৰক আধ্যাত্মিকতা তথা বিশ্বাসৰ প্ৰতীক হিচাপে উদযাপন কৰি অহা হৈছে। তেওঁ লগতে কয়, যে এই উৎসৱে দেশৰ চহকী, সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰাক শক্তিশালী কৰিছে যাতে ভৱিষ্যত প্ৰজন্ম ইয়াৰ দ্বাৰা অনুপ্ৰাণিত হ'ব পাৰে।

০০০০০০০০০

১৯৯৮ চনৰ পোখৰানৰ পাৰমাণৱিক পৰীক্ষা, অৰ্থাৎ অপাৰেচন শক্তিৰ সাফল্য উদযাপনৰ বাবে দেশত আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস পালন কৰা হৈছে। তদানিন্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে ১৯৯৯ চনত কৰা ঘোষণা অনুসৰি প্ৰতিবছৰে ১১ মে'ত এই দিৱস পালন কৰি অহা হৈছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এই দিৱস উপলক্ষে দেশৰ বিজ্ঞানী, অভিযন্তা, উদ্ভাৱক আৰু গৱেষক সকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে পোখৰাণৰ এই পাৰমাণৱিক পৰীক্ষাৰ দিনটোৱে দেশৰ কৌশলগত শক্তি সামৰ্থ্য বৃদ্ধি আৰু আত্মনিৰ্ভৰশীলতাৰ যাত্ৰাকে প্ৰতিফলিত কৰে। ১৯৯৮ চনত ভাৰতে বিশ্বৰ সন্মুখত নিজৰ উল্লেখনীয় বৈজ্ঞানিক আৰু প্ৰযুক্তিগত সামৰ্থ্যক প্ৰতিপন্ন কৰিছিল বুলি তেওঁ কয়। দেশে নিষ্ঠা আৰু প্ৰতিভা সম্পন্ন লোকৰ সহায়ত ভৱিষ্যতেও বিজ্ঞান, উদ্ভাৱন আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত আগবাঢ়ি যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী মোডীয়ে কয় যে এই দিনটোতে ভাৰতে ১৯৯৮ চনত পোখৰাণ পাৰমাণৱিক পৰীক্ষা সফলতাৰে সম্পন্ন কৰা দেশৰ বিজ্ঞানী সকলৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ কথা গৰ্বৰে স্মৰণ কৰে। তেওঁ কয় যে এখন আত্মনিৰ্ভৰ ৰাষ্ট্ৰ গঢ়াৰ ক্ষেত্ৰত প্ৰযুক্তি মূল স্তম্ভ হিচাপে পৰিগণিত হয় আৰু ইয়াৰ ফলত বিভিন্ন ক্ষেত্ৰত সুযোগ সুবিধাৰ সৃষ্টি হোৱাৰ লগতে বিকাশ সুনিশ্চিত হয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই দিৱস উপলক্ষে দেশৰ কৌশলগত সামৰ্থ্য বৃদ্ধিত অৰিহণা যোগোৱা বিজ্ঞানী, অভিযন্তা আৰু গৱেষক সকলৰ অধ্যৱসায়, নিষ্ঠা আৰু পৰিশ্ৰমৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। পোখৰাণৰ পাৰমাণৱিক পৰীক্ষাৰ সফলতাৰ বাবে মেধাৱী বিজ্ঞানী সকললৈ শ্ৰদ্ধা জনাই শ্ৰী সিঙে প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ দূৰদৰ্শিতা আৰু সাহসক অভিবাদন জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমৃত শ্বাহে ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস উপলক্ষে দেশৰ প্ৰযুক্তি বিশেষজ্ঞ আৰু প্ৰযুক্তিৰ সৈতে জড়িত যুৱ প্ৰজন্মক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে তেওঁ কয় যে, ভাৰতে উদ্ভাৱনমূলক বিকাশেৰে দেশৰ উন্নয়ন ত্বৰান্বিত কৰাৰ পদক্ষেপ লৈছে।

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙেও এটা বাৰ্তাত এই দিৱস পালনে প্ৰযুক্তিগত উন্নয়নৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাকে প্ৰতীয়মান কৰে বুলি মন্তব্য কৰে।

০০০০০০০০০

ভাৰতীয় ষ্টেট বেংকে আজি প্ৰকাশ কৰা গৱেষণা প্ৰতিবেদন অনুসৰি ২০২৬-২৭ বিত্তীয় বৰ্ষত দেশৰ অৰ্থনীতিৰ বিকাশ ৬.৬ শতাংশলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। প্ৰতিবেদন অনুসৰি দেশৰ মুঠ ঘৰুৱা উৎপাদন বিগত বিত্তীয় বৰ্ষৰ শেষৰটো ত্ৰৈমাষিকত ৭.২ শতাংশ আছিল। বিশ্বজুৰি সৃষ্টি হোৱা বিৰূপ পৰিস্থিতিৰ মাজতো ভাৰতে শক্তিশালী স্থিতি বৰ্তাই ৰখা বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে।

০০০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-

মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি ৰাজ্যিক বিজেপিৰ সূত্ৰই প্ৰকাশ কৰিছে।

ইয়াৰ আগেয়ে, ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যখনত নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়। বিজেপি নেতৃত্বাধীন এন ডি এৰ বিধায়িনী দলে সৰ্বসন্মতি ক্ৰমে ড° হিমন্ত বিশ্ব শৰ্মাক নেতা হিচাপে বাচনি কৰাৰ পাছত তেওঁ কালি মিত্ৰজোঁটৰ নেতাসকলৰ সৈতে ৰাজ্যপালগৰাকীৰ ওচৰত আনুষ্ঠানিকভাৱে চৰকাৰ গঠনৰ দাবী জনায়। ড° শৰ্মাই লোকভৱনত ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি নৱনিৰ্বাচিত ১০২ গৰাকী বিধায়কৰ স্বাক্ষৰ সম্বলিত প্ৰস্তাৱ দাখিল কৰে

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ক'স্তাৰিকাৰ বিদেশ মন্ত্ৰী মেনুৱেল ট'ভাৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ বাৰ্তা যোগে শ্ৰী মাৰ্ঘেৰিটাই কয় যে, এই বৈঠকত ভাৰত আৰু ক'স্তাৰিকাৰ দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আৰু ক'স্তাৰিকাই বহুপাক্ষিকতা,গণতন্ত্ৰ আৰু নীতি নিৰ্ভৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ সপক্ষে উমৈহতীয়া প্ৰমূল্য বিনিময় কৰি আহিছে। উল্লেখযোগ্য যে ক'স্তাৰিকাৰ বিদেশ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণৰ পাছত এয়া তেওঁৰ প্ৰথম চৰকাৰী কাৰ্য্যসূচী। ইয়াৰ আগেয়ে শ্ৰী মাৰ্ঘেৰিটাই দেশখনৰ ৰাষ্ট্ৰপতি লৌৰা ফাৰ্ণাণ্ডেজ ডেলগাড'ৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতৰ হৈ অংশ লয়। মন্ত্ৰীগৰাকী ক'স্তাৰিকাৰ পৰা হণ্ডুৰাছলৈ ৰাওনা হ'ব। তাত তেওঁ দেশখনৰ বিদেশ মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক সহযোগিতাৰ সামগ্ৰিক দিশৰ পৰ্যালোচনা কৰিব। সপ্তাহজোৰা ভ্ৰমণসূচীৰে যোৰা শ্ৰী মাৰ্ঘেৰিটা হাণ্ডুৰাছৰ পৰা বেলিজলৈ যাব আৰু দেশখনৰ উচ্চ পদস্থ ব্যক্তিসকলক সাক্ষাৎ কৰিব। এয়া হ'ব বেলিজলৈ ভাৰতৰ প্ৰথম মন্ত্ৰীপৰ্যায়ৰ ভ্ৰমণ। ভ্ৰমণসূচীৰ অন্তিম পৰ্যায়ত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰীগৰাকীয়ে ডমিনিকাত উপস্থিত হ'ব। ডমিনিকাত মন্ত্ৰীগৰাকীয়ে দেশখনৰ শীৰ্ষ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ সম্পৰ্কে আলোচনা কৰিব। তেওঁ লগতে ভাৰতৰ সাহায্যৰে ৰূপায়িত প্ৰকল্পসমূহৰ স্থান পৰিদৰ্শন কৰিব।

০০০০০০০০০

চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ আমন্ত্ৰণ মৰ্মে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে অহা ১৩ ৰ পৰা ১৫ মে'লৈ চীন ভ্ৰমণ কৰিব। প্ৰায় ৯ বছৰৰ পাছত এগৰাকী আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে চীন ভ্ৰমণ কৰাটো গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। তদুপৰি আমেৰিকা, ইজৰাইল-ইৰানৰ যুদ্ধকালীন পৰিস্থিতি আৰু হৰমুজ প্ৰণালীৰ অৱৰোধে বিশ্বজুৰি সৃষ্টি কৰা ইন্ধনৰ সংকটৰ পৰিপ্ৰেক্ষিতত এই ভ্ৰমণে গুৰুত্ব লাভ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় পৰিবেশ বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে আজি অষ্ট্ৰেলিয়াৰ জলবায়ু আৰু শক্তি মন্ত্ৰী চেৰিচ ব'য়েনৰ সৈতে নতুন দিল্লীৰ পৰা এখন ভাৰ্চুৱেল বৈঠকত মিলিত হয়। এটা বাৰ্তাত শ্ৰীযাদৱে কয়, যে এই বৈঠকত পৰৱৰ্তী বছৰত আলোচনাত অংশগ্ৰহণ কৰিব পৰা দলসমূহ আৰু তেওঁলোকৰ মূল বিষয়সমূহ কাৰ্যকৰী কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০০০

উত্তৰাখণ্ড প্ৰশাসনে প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি চাৰ ধাম তীৰ্থ যাত্ৰীসকল আৰু পৰ্যটকক সাৱধানতামূলক ব্যৱস্থাসমূহ মানি চলিবলৈ আহ্বান জনাইছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অঞ্চলটোত অ'ৰেঞ্জ

এলাৰ্ট জাৰি কৰিছে যাতে পাহাৰীয়া ৰাজ্যখনত হোৱা প্ৰৱল তুষাৰপাত আৰু প্ৰতিকূল পৰিবেশৰ পৰা জনসাধাৰণ সুৰক্ষিত হৈ থাকিব পাৰে।

০০০০০০০০০

হিমাচল প্ৰদেশৰ চাম্বা জিলাৰ ভাটিয়াত সংমণ্ডলৰ কাকিৰা-লাহৰু পথত হোৱা এটা মটৰ দুৰ্ঘটনাত ছগৰাকী পৰ্যটকৰ মৃত্যু হয়। আনহাতে, আন ৪গৰাকী পৰ্যটক গুৰুতৰভাবে আহত হয়। আহতসকলক প্ৰাথমিক চিকিৎসাৰ অন্তত ড০ ৰাজেন্দ্ৰ প্ৰসাদ চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। মৃতকসকলৰ ভিতৰত ৫গৰাকী গুজৰাটৰ বাসিন্দা হোৱাৰ লগতে গাড়ীৰ চালকজন হিমাচলৰ মান্দি জিলাৰ বাসিন্দা আছিল।

চাম্বা জিলাৰ আৰক্ষী অধীক্ষক বিজয় চাকলনিয়ে কয়, যে দুৰ্ঘটনাটোৰ সময়ত অঞ্চলটোত প্ৰৱল বৰষুণ হৈছিল। তেওঁ লগতে কয়, যে দুৰ্ঘটনাটোৰ পাছতে উদ্ধাৰ আৰু সাহায্য অভিযান চলোৱা হয়। দুৰ্ঘটনাৰ কাৰণ সম্পৰ্কে আৰক্ষীয়ে অনুসন্ধান চলাই আছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰ ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে, মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

সমাপ্ত